# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 20-03-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত আজি ডিব্ৰুগড়ত অসম মন্ত্ৰীসভাৰ বৈঠক অনুষ্ঠিত হৈছে। ডিব্ৰুগড় নগৰৰ মাইজানৰ মুখ্যমন্ত্ৰীৰ সচিবালয়ত অনুষ্ঠিত এই বৈঠকত ডিব্ৰুগড়ক ৰাজ্যৰ দ্বিতীয় ৰাজধানীৰূপে গঢ়ি তোলা সম্পৰ্কত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰাৰ সম্ভাৱনা আছে। এই বৈঠকত ভাগ লোৱাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আজি বিয়লিৰ ভাগত ডিব্ৰুগড়ত উপস্থিত হয়। আমাৰ ডিব্ৰুগড়ৰ সংবাদদাতাই জনোৱা মতে ডিব্ৰুগড়ত দ্বিতীয়বাৰৰ বাবে অনুষ্ঠিত অসম মন্ত্ৰীসভাৰ আজিৰ এই বৈঠক বিশেষ গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে।

00000

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনৰ উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ কাইলৈ হ'বলগীয়া গণিত বিষয়ৰ পৰীক্ষা অনিবাৰ্য কাৰণবশত পিছুৱাই দিয়া হৈছে। শিক্ষা পৰিষদৰ দ্বিতীয় মণ্ডলৰ পৰীক্ষা নিয়ন্ত্ৰকে জনোৱা মতে এই বিষয়ৰ পৰীক্ষাৰ দিন পাছত ঘোষণা কৰা হ'ব। পৰিষদৰ পৰীক্ষা নিয়ন্ত্ৰক ৰঞ্জন কুমাৰ দাসে আমাৰ বিশেষ সংবাদদাতাক জনোৱা মতে এটা পৰীক্ষা কেন্দ্ৰত প্ৰশ্নকাকত ফাদিল হোৱাৰ বিষয়ে সন্দেহ পোৱাৰ পৰিপ্ৰেক্ষিতত জৰুৰীভাৱে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। সকলোবোৰ পৰীক্ষা কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত বিষয়াক এই পৰীক্ষাৰ বাবে মনোনীত মূল মহাবিদ্যালয়ত আজিৰ ভিতৰত গণিত বিষয়ৰ প্ৰশ্নকাকতৰ টোপোলাসমূহ জমা দিবলৈ কঢ়া নিৰ্দেশ দিয়া হৈছে বুলিও পৰীক্ষা নিয়ন্ত্ৰকগৰাকীয়ে জানিবলৈ দিয়ে।

00000

অহা ২ এপ্ৰিলত হ'বলগীয়া ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনত ৩৩ টা সমষ্টিত মুঠ ৯৬ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব।  নিৰ্বাচন হ'বলগীয়া দুখন জিলা কামৰূপ আৰু গোৱালপাৰাৰ ৩৬টা সমষ্টিৰ বাবে মুঠ ১০৭ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছিল। ইয়াৰে তিনিগৰাকী প্ৰাৰ্থী ইতিমধ্যে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছে। কামৰূপ জিলাৰ অন্তৰ্গত হাঁহিম সমষ্টিত ৰাভা-হাছং যৌথ সংগ্ৰাম সমিতিৰ প্ৰাৰ্থী সোণাৰাম ৰাভা আৰু খলিহাকোঠ পৰিষদীয় সমষ্টিত নগৰমল স্বৰ্গীয়াৰী বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে। গোৱালপাৰা জিলাৰ ২০টা সমষ্টিৰ বাবে মনোনয়ন দাখিল কৰা ৫৫ গৰাকী প্ৰাৰ্থীৰ ভিতৰত জয়ৰামকুছি পৰিষদীয় সমষ্টিৰ প্ৰাৰ্থী প্ৰেমাজুলি ৰাভা বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে। পৰিষদৰ এই নিৰ্বাচনত ৰাভা-হাচং যৌথ সংগ্ৰাম সমিতিয়ে ৩০টাত আৰু বিজেপিয়ে ৬টা সমষ্টিত প্ৰাৰ্থিত্ব দিছে।

২ এপ্ৰিলৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ ভোটগ্ৰহণ হ'ব। অহা ৪ এপ্ৰিলত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব। ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ ভোটগ্ৰহণৰ দিন- ২ এপ্ৰিলত পৰিষদৰ অন্তৰ্গত অঞ্চলসমূহত সকলো চৰকাৰী-বেচৰকাৰী কাৰ্যালয়, শিক্ষানুষ্ঠান, বেংক, ব্যৱসায়িক প্ৰতিষ্ঠান, চাহ বাগিচা ইত্যাদি বন্ধ থাকিব। গোৱালপাৰা জিলা আয়ুক্তই স্বচ্ছ আৰু নিকা নিৰ্বাচনৰ বাবে নিৰ্বাচনী বিষয়াসকলক

তিনিটা পৰ্যায়ত প্ৰশিক্ষণ দিয়া হ'ব বুলি জানিবলৈ দিছে। একেদৰে কামৰূপ জিলাতো ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনক লৈ জিলা আয়ুক্তই নিৰ্বাচনী প্ৰশিক্ষণৰ আয়োজন কৰিছে।

০০০০০

স্বচ্ছতা অভিযানক কাৰ্যকৰীকৰণৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰা বজালীৰ বেলনা গাঁওলৈ ২০২৪ বৰ্ষৰ সংস্কাৰ ধবনি স্বচ্ছতা বঁটা আগবঢ়োৱা হৈছে। কৃষিজীৱি গাঁওবাসীয়ে কঠোৰ পৰিশ্ৰম আৰু নিয়মানুৱৰ্তীতাৰ জৰিয়তে অতি কম দিনৰ ভিতৰত প্লাষ্টিক বৰ্জনৰ দৰে পদক্ষেপ গ্ৰহণ কৰি পৰিস্কাৰ-পৰিচ্ছন্নতাৰ ক্ষেত্ৰত ৰাজ্যজুৰি আদৰ্শ দাঙি ধৰিছে। ২০১৯ চনত ৰাজ্যৰ তদানীন্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আনুষ্ঠানিকভাৱে গাঁওখনক অসমৰ প্ৰথমখন প্লাষ্টিকমুক্ত গাঁও হিচাপে ঘোষণা কৰিছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও **মন কী বাত** অনুষ্ঠানত বেলনা গাঁওবাসীয়ে পৰিস্কাৰ-পৰিচ্ছন্নতাৰ কাৰণে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে উল্লেখ কৰে। অহা ২৩ মাৰ্চত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত হ'বলগীয়া এটা অনুষ্ঠানত গাঁওখনলৈ সংস্কাৰ ধবনি স্বচ্ছতা বঁটা আগবঢ়োৱা হ'ব।

০০০০০

ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানে হাতত লোৱা ৰাষ্ট্ৰীয় মুখগহবৰৰ স্বাস্থ্য কাৰ্যসূচীৰ অধীনত আজি ৰাজ্যৰ বিভিন্ন জিলাত বিশ্ব মুখগহবৰৰ স্বাস্থ্য দিৱস পালন কৰা হৈছে। এই উপলক্ষে গোৱালপাৰা জিলাৰ অসামৰিক চিকিৎসালয়ত এখন সজাগতা সভাৰ আয়োজন কৰা হয়। চিকিৎসালয়খনৰ অধীক্ষক ডাঃ চিত্তৰঞ্জন হাজৰিকা আৰু উপ-অধীক্ষক ডাঃ অঞ্জনা দাসৰ উপস্থিতিত অনুষ্ঠিত সভাখনত দাঁতৰ যত্নৰ প্ৰয়োজনয়ীতা, মুখগহবৰৰ যতন ইত্যাদি বিষয়ত বক্তব্য প্ৰদান কৰা হয়। ইয়াৰ লগতে জিলাখনত মাহজোৰা কাৰ্যসূচীৰে সজাগতা সভা আৰু দাঁতৰ স্বাস্থ্য শিবিৰ অনুষ্ঠিত কৰা হ'ব বুলি জিলা ন'ডেল বিষয়া ডাঃ নাজনীন ছুলতানাই জানিবলৈ দিছে।

০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাতত পৰিবেশ প্ৰদূষণ - নতুন ভাবুকি শীৰ্ষক এটা বিশেষ আলোচনা প্ৰচাৰ কৰিব। বাতৰি বিভাগৰ জ্যেষ্ঠ পৰিবেশিকা অৰুণিমা গোস্বামীয়ে আঁত ধৰিবলগীয়া এই অনুষ্ঠানত মেডিচিন বিভাগৰ বিশিষ্টা চিকিৎসক ডাঃ ৰুণজুন টেৰণপী আৰু পৰিবেশ কৰ্মী মুবিনা আখতাৰে সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰিব। অনুষ্ঠান চলি থকাৰ সময়ত শ্ৰোতাসকলে ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰলৈ ফোন কৰি অনুষ্ঠানটোত পোনপটীয়াকৈ অংশ ল'ব পাৰিব। এই অনুষ্ঠান আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ ফেচবুক পেজ airnewsghy আৰু Youtube Channel airnewsGuwahati-যোগে পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব।

০০০০০

গুৱাহাটীৰ জ্ঞানদাভিৰাম বৰুৱা আইন মহাবিদ্যালয়ত অহা ২৩ মাৰ্চত তিলোত্তমা বৰুৱা সোঁৱৰণী তৃতীয় বাৰ্ষিক সদৌ অসম আন্তঃ শিক্ষানুষ্ঠানভিত্তিক ছাত্ৰীৰ বাবে তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ধ্ৰুপদী ভাষাৰ স্বীকৃতি লাভৰ ফলত অসমীয়া ভাষা ভৱিষ্যতলৈ সুৰক্ষিত হৈছে এই বিষয়ত নৱম শ্ৰেণীৰ পৰা স্নাতকোত্তৰলৈ সকলো ছাত্ৰীৰ বাবে মুকলি তৰ্ক প্ৰতিযোগিতাখনত বিজয়ীসকলক আৰ্থিক পুৰস্কাৰ প্ৰদান কৰা হ'ব। শ্ৰেষ্ঠ বিজয়ী দলক ৮ হাজাৰ টকাৰে পুৰস্কৃত কৰা হ'ব। শ্ৰেষ্ঠ তাৰ্কিকগৰাকীলৈ ৪ হাজাৰ টকা পুৰস্কাৰ হিচাপে আগবঢ়োৱা হ'ব।

০০০০০

সমাপ্ত